## দিনে-নিশাই অব্যাহত অবৈধ বেহা ঃ চোৰাং কাঠ বেপাৰীৰে বিষয়া-কৰ্মচাৰীৰ বুজাবুজি

# মৰুভূমি হোৱাৰ দিশত পশ্চিম কামৰূপৰ বনাঞ্চল

**প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ১৩ অক্টোবৰ ঃ** অসম চৰকাৰৰ বন মন্ত্ৰী তথা বিধানসভাৰ অধ্যক্ষৰ নাতিদূৰৈতে মৰুভূমি হোৱাৰ দিশে অগ্ৰসৰ হৈছে পশ্চিম কামৰূপ বন সমষ্টিৰ অন্তৰ্গত ছয়গাঁওৰ পাহাৰৰ বনাঞ্চল। যোগ এন্ধাৰে বন বিভাগৰ মুকুলীকৰণৰ বন সমষ্টিটোত এতিয়া নিৰ্বিবাদে চলি আছে বন ধ্বংসযজ্ঞ। এসময়ত প্ৰায় বিশাল হৈ পৰা বৰা হাবি এতিয়া অধিকাংশ পাহাৰ পুনৰ মেটিকা গছ-গছনিৰে ঠন ধৰি উঠাৰ সময়তে বন বিভাগৰ মোগা-দিয়া নীতিৰ ফলত এলেকাটোৰ অধীনৰ অসম-মেঘালয় সীমান্তবৰ্তী অঞ্চলৰ পাহাৰত অসাধু ব্যৱসায়ীয়ে এতিয়াও গছ গছ কাটি চোৰাং কাঠৰ সৰবৰাহ অব্যাহত ৰাখিছে। এক কথাত সকলো প্ৰকাৰৰ দুৰ্নীতি, বিভিন্নভাৱে চি পুনা সমৃদ্ধশালী ক্ষমতা অৱস্থাৰ সৰ্বৰূপ সোণোৱাল নেতৃত্বাধীন বিজেপিৰ চৰকাৰখনে পশ্চিম কামৰূপ বন সমষ্টিৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈছে। অন্যহাতে সমষ্টিটোৰ ডি এফ অ' সজল গোস্বামীয়েও তেওঁৰ কাৰ্যালয়ৰ অধীনৰ কৰ্মৰত একাংশ বিষয়া-কৰ্মচাৰীক নিয়ন্ত্ৰণ কৰাত



সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। বিশেষ সূত্ৰে জানিব পৰামতে ডি এফ অ'সকলে অজ্ঞাতলোকৰ বিৰুদ্ধে প্ৰায়ে চলাই অহা অভিযানৰ খবৰ সামঞ্জস্যহীনৰ কৰ্মৰত একাংশ বিষয়া-কৰ্মচাৰীৰে চোৰাং বেপাৰীৰ অশুভ আঁতাতৰ যোগন দাবি কৰাৰ ফলত প্ৰায়বোৰ অভিযানতে বিফল হ'বলগীয়া হৈছে। উল্লেখযোগ্য যে বৰ্তমান ভিতৰত পশ্চিম কামৰূপ বন সমষ্টিৰ এলেকাত প্ৰাকৃতিক সম্পদেৰে অনন্য চহকী। বিশেষকৈ অসম-মেঘালয় সীমান্তৱৰ্তী পাহাৰসমূহ শাল, সেগুনকে আদি বহু মূল্যবান গছেৰে পৰিপূৰ্ণ। কিন্তু বিগত কিছু বছৰ ধৰি অসাধু চক্ৰই কাৰ্য-মতে গছ কাটি খাণ্ডৱ বনৰ দৰে উটিপৰি লাগিছে। শেহতীয়াকৈ এই বনাঞ্চলসমূহ অধিক অৱক্ষয় বাস হোৱা পৰিলক্ষিত হৈছে। হাতে কাম অনুসৰি বামুণীগাঁও আঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত উকিয়াম, উমদুলি, শান্তিপুৰ, বিমানগাঁও, লাকমাৰা, নগৰডোভা, মইনবাৰী নলবাৰ, অৱবাৰ আৰু শিংৰা আঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বৰকোণ জোৱাপুৰি, হাহিম প্ৰভৃতি অঞ্চলৰ পাহাৰৰ বৰ্তমানেও অবাধে অব্যাহত আছে। এই কাঠ পাহাৰসমূহৰ পৰা ভুৱা তৈয়াৰ কৰি ছালৰীয়া উকিয়াম পথ, গোবৰ্ধন পথ, বামুণীগাঁৱৰ শান্তিপুৰ পথ, লামপাৰা পথ, শনিয়ালীয়া বজাৰ পথ, বৰকোণ জোৱাপুৰি পথ, হাহিম পথ, শিংৰা-গৌৰ্যালী পথ, বৰ্জাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ চুকুনীয়া পথ, বৰপাৰা পথ আদিৰে সৰবৰাহ কৰা হয়। সূত্ৰসমূহৰ মোতাবেক একাংশ চি আই গাড়ী আৰু ট্ৰাইকেলেৰে ছয়গাঁও, ডেকাঘাট, ডেকাশিমুলী, হাতীশালা, ভাৰ্তীয়াবাৰিয়া, বেগমবাৰী, হাতীশিলা আদি স্থানত বহি থকা কাঠৰ অবৈধ কাৰখানাত সৰবৰাহ কৰা হয়। অভিযোগমতে বামুণীগাঁও আৰু নগৰবেৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত হাতীশিলাত আনোৱাৰ আলী, মইনবাৰীত আজ্জল আলী, ভাৰ্তীয়াবাৰিয়াত ছফিকুল ইছলাম, চাম্পুপাৰাত আব্দুল গফুৰ, মইনবাৰীত আব্দুল খান, ডেকাশিমুলীত হামিদ আলী, ডমুকাৰাৰীত মুনৱ উদ্দিন আৰু হাতীশালাত মোহিৰ উদ্দিন নামৰ লোকসকলৰ নেতৃত্বত এতিয়াও কাৰখানা অবৈধ ভাৱে পূৰ্ণোদ্যমে চলি আছে। অন্যহাতে একাংশ অসাধু বেপাৰীয়ে গছ কাটি পাহাৰৰ মাজতে কাঠ-ফাৰ্ণা তৈয়াৰ কৰিও চোৰাংকৈ সৰবৰাহ কৰি আহিছে। উল্লেখযোগ্য যে অবৈধ কাঠফলা বনৰ পৰা কাঠসমূহ নগৰবেৰা, পলাশবাৰী, বুৰুৰী আদি স্থানৰ উপৰি চুৰুণীয়া খাণ্ডু বাংলাদেশলৈকে চোৰাংকৈ সৰবৰাহ কৰা হয় বুলি 'অসমীয়া প্ৰতিদিন' কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পাই আহিছে। এই চোৰাং সৰবৰাহৰ লগত জড়িত হৈ আছে অন্য এটা বৃহৎ কাঠ মাফিয়া চক্ৰ। চক্ৰটোৱে কেৱল সৰবৰাহৰ নামতে পাহাৰ বৃহৎ লুণ্ঠন চলাই আহিছে। কিন্তু এই অঞ্চলত আৰু অবৈধ সৰবৰাহ, যোগ কৰাৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী অথবা শীৰ্ষ বিষয়াই আজিলৈ বিশেষ তৎপৰতা অৱলম্বন কৰা পৰিলক্ষিত হোৱা নাই। অথচ দিনে ৰাতিয়ে বন সমষ্টিটোৰ অন্তৰ্গত পাহাৰসমূহ মৰুভূমিত পৰিণত নহয়, তাৰ বাবে সময় থাকোতেই বিভাগটোৰ মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপৰ বাবে আহিছে দাবী জনাইছে।



নিয়মীয়া বাৰ্তা
শনিবাৰ, ১২ অক্টোবৰ ২০১৯

**অসম-অৰুণাচলৰ বন বিভাগৰ ছত্ৰছায়াত বৃহৎ ছিণ্ডিকেট**

# ডুমডুমা-কাকপথাৰত ১২ ঘণ্টাৰ ব্যৱধানত জব্দ দুখন চোৰাং কাঠভৰ্তি ট্ৰাক

**নিয়মীয়া বাৰ্তা, ডুমডুমা, ১১ অক্টোবৰ ঃ** সৰ্বোচ্চ ন্যায়ালয়ে পাহাৰ-ভৈয়ামৰ সংৰক্ষিত বনাঞ্চলত গছ-বন কটাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰি ৰখাৰ পাছতো মুখ্যমন্ত্ৰী পেমা খাণ্ডু নেতৃত্বাধীন বিজেপিশাসিত অৰুণাচল চৰকাৰৰ বন বিভাগৰ ছত্ৰছায়াত পাহাৰীয়া ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চল ধ্বংস অব্যাহত ৰাখিছে কাঠ মাফিয়া চক্ৰই। সংৰক্ষিত বনাঞ্চলসমূহ এফালৰ পৰা ধ্বংস কৰি কাঠ মাফিয়া চক্ৰই অৰুণাচলৰ জল বায়ু পৰিৱৰ্তন কৰি তোলাৰ পাছতো মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে অৰুণাচলৰ দুৰ্নীতিগ্ৰস্ত শীৰ্ষ বন বিষয়াৰে মিতিৰালি গঢ়ি তোলা কাঠ মাফিয়া চক্ৰক উৎখাতৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ সুযোগ বুজি অসম চৰকাৰৰ শীৰ্ষ বন বিষয়াই উজনিৰ *১৫ পৃষ্ঠাত*

## ডুমডুমা-কাকপথাৰত ১২ ঘণ্টাৰ ব্যৱধানত জব্দ দুখন চোৰাং

তিনিচুকীয়া জিলাত অৰুণাচলৰ চোৰাং কাঠৰ ছিণ্ডিকেটৰাজ গঢ়ি তুলিছে। উজনিৰ সীমামূৰীয়া তিনিচুকীয়া জিলাত অব্যাহত থকা চোৰাং খয়েৰ কাঠ, কয়লা, ক'লা কচু, ইলাচি আদিৰ অবৈধ বেহাৰ বিৰুদ্ধে কেইদিনমান পূৰ্বে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা বিষয়ববীয়া সৰব হৈ সংবাদ মেলৰ জৰিয়তে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বধীন চৰকাৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত তিনিচুকীয়া জিলাত এই অবৈধ বেহা চলাই থকা বুলি অভিযোগ উত্থাপন কৰাৰ পাছতে ডুমডুমা-কাকপথাৰত যোৱা ১২ ঘণ্টাৰ ব্যৱধানত চোৰাং মূল্যৱান কাঠভৰ্তি দুখন ট্ৰাক জব্দ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে উজনি অসমৰ বিভিন্ন সংৰক্ষিত বনাঞ্চল (ডুমডুমা, নামফাই, টিংকুপানী, ডিগবৈ, পেঙেৰী)সমূহৰ পৰা দিনে-নিশাই অবাধ হাৰত বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে একাংশ দুষ্টচক্ৰই। কালি নিশা তিনিচুকীয়া জিলাৰ ৰূপাইত বন বিভাগে এ এছ-০৯ চি-৬১৭৮ নম্বৰৰ এখন চোৰাং কাঠভৰ্তি গাড়ী জব্দ কৰিবলৈ সক্ষম হয়। নিশা বন বিভাগৰ অভিযানৰ সময়তেই ধলা দিশৰ পৰা আহি থকা কাঠভৰ্তি গাড়ীখন তীব্ৰবেগত পলায়ন কৰি জনৈক সোণোৱাল উপাধিৰ এজনৰ ৰূপাইস্থিত কাঠৰ গুদামৰ ভিতৰত প্ৰৱেশ কৰাৰ সময়তেই ডুমডুমাৰ বন বিভাগে জব্দ কৰিবলৈ সক্ষম হয় গাড়ীখন। জব্দ হোৱা গাড়ীখন নিশাই ডিব্ৰুগড় বন সংমণ্ডলৰ তিনিচুকীয়াৰ কাৰ্যালয়ত চমজাই দিয়ে বুলি জানিব পৰা গৈছে। আনহাতে, আজি দিন-দুপৰতে তিনিচুকীয়া জিলাৰ কাকপথাৰ বন সংমণ্ডলৰ অন্তৰ্গত বৰালি অঞ্চলতো এএছ-২৩ বিচি-৫৩৮৮ নম্বৰৰ অন্য এখন কাঠভৰ্তি গাড়ী জব্দ কৰিবলৈ সক্ষম হৈছে বন বিভাগ। জানিব পৰা মতে, অৰুণাচল প্ৰদেশৰ পৰা আহি থকা অৱস্থাত বিশেষ সূত্ৰৰ পম খেদি কাকপথাৰ বন বিভাগে কাকপথাৰৰ বৰালি অঞ্চলৰ পৰা জব্দ কৰিবলৈ সক্ষম হয় ট্ৰাকখন। ইতিমধ্যে গাড়ীখন জব্দ কৰি কাকপথাৰ বন বিভাগে চমজি লৈ যাৱতীয় ব্যৱস্থা হাতত লোৱা বুলি জানিবলৈ দিছে। উল্লেখ্য যে কাকপথাৰ ডিৰাক গেটেৰে দৈনিক এনেদৰে বহু চোৰাং কাঠৰ গাড়ী সৰবৰাহ হৈ আহিছে যদিও বন বিভাগে কোনো ধৰণৰ পদক্ষেপ নোলোৱাৰ অভিযোগ উঠিছে। আনহাতে, তিনিচুকীয়া জিলাখনত প্ৰতিনিশা এনেদৰে চোৰাং কাঠভৰ্তি গাড়ী জব্দ হোৱা বিষয়টোৱে সচেতন মহলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে জিলাখনত চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাৰ কথাকেই প্ৰমাণ কৰিছে। উল্লেখ্য যে কাকপথাৰৰ অসম-অৰুণাচল সীমান্তৱৰ্তী ডিৰাক গেটেৰে নিতৌ নিশা অৰুণাচলৰ সংৰক্ষিত বনাঞ্চলৰ মূল্যৱান গছৰ কুণ্ড আৰু ভীম ছাইজৰ চোৰাং কাঠভৰ্তি ট্ৰাকসমূহ তিনিচুকীয়া জিলাত প্ৰৱেশ কৰি আহিছে। তাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে চোৰাং কাঠভৰ্তি আৰু কুণ্ডভৰ্তি ট্ৰাকবোৰ কাকপথাৰ বনাঞ্চলিক কাৰ্যালয় আৰু কাকপথাৰ আৰক্ষী থানাৰ সন্মুখেদি ৫২নং ৰাষ্ট্ৰীয় ঘাইপথেৰে যাত্ৰা কৰি ডুমডুমা, তিনিচুকীয়া, ডিব্ৰুগড় আদি চহৰৰ মাজেৰে বহিঃৰাজ্যলৈ ৰাওনা হৈ আহিছে। ইয়াৰ মাজতে কালি নিশা তালাপৰ জনৈক সোণোৱাল উপাধিৰ কাঠ ব্যৱসায়ীজনৰ গুদামলৈ কাকপথাৰ বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখেদি ডিৰাকৰ এজন কাঠ মাফিয়াই অৰুণাচলৰ চোৰাং কাঠভৰ্তি ট্ৰাকখন সৰকাই নি ডুমডুমাৰ ৰূপাই চাইডিঙত লুকুৱাই ৰাখিবলৈ চেষ্টা চলাইছিল যদিও বন প্ৰাধিকাৰী দিলীপ ডেকাৰ তৎপৰতাত চোৰাং কাঠখিনিৰ সৈতে ট্ৰাকখন বন বিভাগে জব্দ কৰিবলৈ সক্ষম হোৱা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। বিভিন্ন সময়ত দল-সংগঠনৰ নেতৃত্বই অসম-অৰুণাচনত চোৰাং কাঠৰ ব্যৱসায় বন্ধ কৰিবলৈ দাবী উত্থাপন কৰি অহাৰ বিষয়ে সংবাদ মাধ্যমত সঘনাই বাতৰি প্ৰকাশ পাই অহাৰ বিপৰীতে একাংশ ছাত্ৰ নেতাৰ লগতে শাসক-বিৰোধী দলৰ নেতা আৰু দুৰ্নীতিগ্ৰস্ত-বন বিষয়া একাংশৰ সেউজ সংকেতত কাঠ মাফিয়া চক্ৰই বহিঃৰাজ্যৰ চোৰাং কাঠ সৰবৰাহত জড়িত হৈ পৰিছে। ইয়াৰ বিপৰীতে শূন্য সহনশীল নিকা প্ৰশাসন তথা দুৰ্নীতিমুক্ত চৰকাৰ চলোৱাৰ শ্লোগান দিয়া মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজিপৰ্যন্ত বিয়াগোম বন বিভাগটোত সংঘটিত দুৰ্নীতি উৎখাত কৰিবলৈ সক্ষম নহ'ল বুলি তিনিচুকীয়া জিলাৰ সৰ্বত্ৰ সৰব চৰ্চা চলিছে। যি সময়ত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে দেশৰ সংৰক্ষিত বনাঞ্চলত গছ-বন কটাটো নিষিদ্ধ কৰাৰ পাছতো সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি অৰুণাচলৰ সংৰক্ষিত বনাঞ্চলত গছ কটা কাৰ্য অব্যাহত থকাই নহয়, অৰুণাচলৰ চোৰাং কাঠবোৰ উজনি অসমৰ তিনিচুকীয়া জিলাৰ সীমান্তত প্ৰৱেশ কৰিলেই বনাঞ্চলিক বিষয়াসকলে কাঠ মাফিয়া চক্ৰৰ স্বাৰ্থত চোৰাং কাঠৰ পৰা ৰাজহ সংগ্ৰহ কৰাৰ নামত অসম চৰকাৰৰ বন বিভাগৰ ছীল-মোহৰ মাৰি নথি প্ৰস্তুত কৰি দি আহিছে। এনেদৰে অসমৰ লগতে চুবুৰীয়া ৰাজ্যত সংৰক্ষিত বনাঞ্চলৰ গছ-বন কাটি তহিলং কৰিলে দেশত জল বায়ু পৰিৱৰ্তনত অধিক ভয়াবহতাই দেখা দিয়াটো নিশ্চিত হৈ পৰিছে।

নিয়মীয়া বার্তা
দেওবাৰ, ১৩ অক্টোবৰ ২০১৯

### গোপন বুজাবুজিৰে বনজ সম্পদৰ ৰমৰমীয়া বেহা ঃ নিয়ন্ত্ৰণত ব্যৰ্থ আৰক্ষী-প্ৰশাসন

# হোজাইত বিষয়াৰ নেতৃত্বত চলিছে বনধ্বংস

## অবৈধ বালি কঢ়িওৱাক লৈ দুই ফৈদৰ সংঘৰ্ষ

**নিয়মীয়া বাৰ্তা, হোজাই, ১২ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে হোজাই জিলাতো অব্যাহত আছে বনজ সম্পদৰ অবৈধ ছিণ্ডিকেট। বন বিভাগৰ দুৰ্নীতিগ্ৰস্ত বন বিষয়ৰ প্ৰত্যক্ষ সহযোগত একাংশ বন মাফিয়াই এফালৰ পৰা ধ্বংস কৰিছে হোজাই জিলাৰ ডবকা পাহাৰ, বনাঞ্চল আৰু যমুনা নৈৰ বালি। বন বিষয়াৰ নেতৃত্বত বন মাফিয়াৰ সন্ত্ৰাসত নিদ্ৰাহৰণ হৈছে সাধাৰণ জনতাৰ। অবৈধ বালি শিল কঢ়িওৱা গাড়ীয়ে প্ৰাণ লৈছে বহুজনৰ। বন বিভাগৰ বহু দুৰ্নীতিগ্ৰস্ত বন বিষয়াৰ প্ৰত্যক্ষ সহযোগত বন মাফিয়াৰ সন্ত্ৰাসত নিদ্ৰা হৰিছে হোজাই জিলাৰ ডবকাৰ সাধাৰণ লোকৰ। ইয়াক লৈ জাঙুৰ খাই উঠিছে বিভিন্ন দল-সংগঠন। যমুনা ভেলী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনত বন মাফিয়াই চলাইছে অবৈধভাৱে পাহৰ খননকাৰ্য, অবৈধভাৱে বনাঞ্চলৰ পৰা কাটিছে মূল্যবান শাল আৰু ১৩ পৃষ্ঠাত

## হোজাইত বিষয়াৰ নেতৃত্বত চলিছে বনধ্বংস

চেগুনৰ গছ, আনপিনে যমুনা নৈৰ পৰা অবৈধ খননকাৰ্য চলায় সমগ্ৰ জিলাৰ লগতে সমীপৰ কাৰ্বি আংলং আৰু নগাঁও জিলাত চলাইছে বালিৰ ৰমৰমীয়া ব্যৱসায়। দুৰ্নীতিগ্ৰস্ত বন বিষয়াৰ ছত্ৰছাঁয়াত একপ্ৰকাৰ জিলাখনত সন্ত্ৰাস সৃষ্টি কৰিছে বনজ সম্পদ ধ্বংস কৰা এই বন মাফিয়াসকলে। বন বিভাগে এইসকলক কঠোৰ হাতে নিয়ন্ত্ৰণ কৰিব পাৰে যদিও গোপন বুজাবুজিৰ বাবে বন বিভাগ মৌন হৈ আছে। আজি অবৈধভাৱে বালি কঢ়িওৱাক লৈ অবৈধ বালি সৰবৰাহকাৰীৰ দুই পক্ষৰ মাজত ৰাজপথত মাৰপিটত লিপ্ত হয়। হাতত লোহাৰ লাঠী লৈ কিদৰে ৰাজপথত আক্ৰমণ কৰিছে প্ৰতিপক্ষক। সতীৰ্থ অন্য অবৈধ বালি সৰৱৰাহকাৰীক এইদৰে আক্ৰমণ কৰি সন্ত্ৰাস সৃষ্টি কৰিছে ৰাজপথত। বৈধ অবৈধ শ শ ডাম্পাৰ, টাটা ম'বাইল আৰু ট্ৰাকৰ সন্ত্ৰাসত যাতায়াত কৰিব পৰা নাই পথচাৰী। যাব পৰা নাই স্কুলীয়া ছাত্ৰ ছাত্ৰী— জৰুৰীকালীন ৰোগী কঢ়িওৱা এম্বুলেঞ্চ। অবৈধ্ৰ বালি-শিলৰ গাড়ীয়ে সঘনাই সংঘটিত কৰি আহিছে ভয়ংকৰ দুৰ্ঘটনা, প্ৰাণ লৈছে বহুজনৰ ,পংগু কৰিছে শ শ লোকক। ইয়াৰে ৯০ শতাংশ টাটা মোবাইল, ট্ৰাক আৰু ডাম্পাৰৰ নাই ইঞ্চিউৰেন্স, নাই উপযুক্ত নথি। ইয়াৰ মাজৰে একাংশ গাড়ীৰ নাই নম্বৰপ্লেট, আন একাংশই ভুৱা নম্বৰপ্লেট ব্যৱহাৰ কৰি বন বিষয়াক মেনেজ কৰি চলাই গৈছে বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায়। কিন্তু এইবোৰ দেখিও নেদেখাৰ ভাও জুৰিছে বন বিভাগৰ লগতে পৰিবহণ বিভাগ, আৰক্ষী আৰু জিলা প্ৰশাসনে। যাৰ বাবে সঘনাই অবৈধ ব্যৱসায়ীৰ মাজত সংঘাত সৃষ্টি হৈছে। এই বন মাফিয়াসকলে এইদৰে উত্তাল কৰি ৰাখিছে হোজাই জিলাৰ ডবকা। অভিযোগ-প্ৰতিঅভিযোগে এটা সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ইফালে আজি এই বন মাফিয়াৰ বিপক্ষে ডবকা বন বিষয়াৰ কাৰ্যালয় ঘেৰাও কৰি ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। অবৈধ বনজ সম্পদৰ ব্যৱসায় বন্ধ কৰাৰ দাবীত এই প্ৰতিবাদ। শ শ ৰাইজ আৰু একাংশ ব্যৱসায়ীয়ে আজি সাব্যস্ত কৰে প্ৰতিবাদ। দীঘ দিন ধৰি ডবকাত অবৈধ বালিৰ বেহা চলাৰ অভিযোগ। ট্ৰাক, টাটা ম'বাইলেৰে চলাইছে ৰমৰমীয়া ব্যৱসায়। যাৰ বাবে চৰকাৰে কোটি কোটি টকা হেৰুৱাইছে ৰাজহ। আৰক্ষী প্ৰশাসনৰ পৰিস্থিতি নিয়ন্ত্ৰণ। একাংশ অবৈধ ব্যৱসায়ীৰ ধমকিত বাণীকান্ত শইকীয়া নামৰ সৎ বনকৰ্মী এজন অসুস্থ হৈ পৰে। যোৱা শুকুৰবাৰৰ পৰা চিকিৎসাধীন হৈ আছে এই বনকৰ্মীজন। সমগ্ৰ ঘটনা তথা বন মাফিয়াৰ ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়াই কোটিটকীয়া প্ৰশ্ন।

১৪ অক্টোবৰ, ২০১৯ সোমবাৰ, গুৱাহাটী

আমাৰ অসম

মৰিগাঁৱত চোৰাং কাঠৰ বৃহৎ নেটৱৰ্ক ■ কাঠফুলাৰ দৰে গঢ়ি উঠিছে অবৈধ কাঠফলা মিল

# বনজ সম্পদ ধ্বংসৰ কেন্দ্ৰস্থলত পৰিণত ব্ৰহ্মপুত্ৰৰ কাষৰীয়া অঞ্চল

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও ১৩ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ নৈ কাষৰীয়া অঞ্চল মৈৰাবাৰী, উলুবাৰী, বৰথল দলৈগাঁও, হাতীমূৰীয়া, তাতীকটা পথাৰ, ভেলৌগুৰি আৰু হাঁহচৰা আদি ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া ৰাজহ গাঁওবোৰত দিনকদিনে বৃদ্ধি পাই অহা অবৈধ কাঠফলা মিলসমূহে সাধাৰণ জনতাৰ নিদ্ৰা হৰণ কৰিছে। জানিব পৰা মতে, জিলাখনৰ বন বিভাগ আৰু স্থানীয় থানাসমূহৰ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি এচাম স্বাৰ্থপৰ লোকে স্থানীয় কেইজনমান মাতাব্বৰক মেনেজ কৰি কাঠফুলাৰ দৰে গঢ়ি তুলিছে অবৈধ কাঠফলা মিল। এই অবৈধ কাঠফলা মিলসমূহলৈ ব্ৰহ্মপুত্ৰৰ সিপাৰৰ ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্য, শোণিতপুৰৰ বুঢ়া চাপৰি অভয়াৰণ্য আৰু লাওখোৱা অভয়াৰণ্যৰ পৰা নৈয়েদি কাঠৰ কুণ্ডা চোৰাংভাৱে যোগান ধৰা হয়। কাঠৰ কুণ্ডাসমূহ এই অবৈধ মিলবোৰত ফালি বাটাম আৰু তক্তা তৈয়াৰ কৰি মৈৰাবাৰী, লাহৰীঘাট আৰু ভূৰাগাঁও বজাৰত বিক্ৰী কৰিবলৈ মুকলি কৰি দিয়া হয়। অবৈধ কাঠফলা মিলসমূহত সংস্থাপিত কৰি ৰখা ১০ এইচ পি ক্ষমতাসম্পন্ন মটৰ চলাচল কৰাৰ বাবে পাৰ্শ্ববৰ্তী এলেকাৰ লোকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে শব্দ-প্ৰদূষণত ভুগিবলগীয়া হয়। স্থানীয় লোকসকলে এইধৰণৰ কাঠমিলসমূহ বন্ধৰ বাবে আৱেদন-নিৱেদন কৰিলেও কোনোধৰণৰ সুফল নাপায়, কাৰণ অবৈধ কাঠফলা মিলসমূহ গঢ় লৈ উঠিছে স্থানীয় একাংশ মাতাব্বৰৰ ছত্ৰছায়াত। আৰু এই মাতাব্বৰসকলৰ একাংশৰ আৰক্ষীৰ লগত আছে মধুৰ সম্পৰ্ক। অসম চৰকাৰৰ বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই অসমৰ বনজ সম্পদ ধ্বংসৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা বুলি প্ৰায়েই বক্তৃতাৰ ফুলজাৰি মাৰি আহিছে যদিও মৰিগাঁও জিলাৰ ব্ৰহ্মপুত্ৰৰ কাষৰীয়া অঞ্চলসমূহত অবাধে গঢ় লৈ উঠা বনজ সম্পদ ধ্বংসৰ কেন্দ্ৰস্থলসমূহৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণেৰে নিকা ভাবমূৰ্তিৰ পৰিচয় দিবলৈ সাহস গোটাব পাৰিবনে ? তাৰ প্ৰতিয়েই অঞ্চলটোৰ সমূহ জনসাধাৰণে তীক্ষ্ণ দৃষ্টি ৰাখিছে।

১৪ অক্টোবৰ, ২০১৯ সোমবাৰ, গুৱাহাটী

আমাৰ অসম

### বন মাফিয়াই এফালৰ পৰা ধ্বংস কৰিছে ডবকা পাহাৰ, বনাঞ্চল আৰু যমুনা নৈৰ বালি

# বনজ সম্পদৰ ছিণ্ডিকেটৰ প্ৰতিবাদত উত্তাল ডবকা

**ডবকাৰ প্ৰতিবেদক, ১৩ অক্টোবৰ ঃ** ডবকা যমুনা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত শনিবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অবৈধ বালি ব্যৱসায়ক কেন্দ্ৰ কৰি একাংশ টাটা মোবাইলৰ মালিক, চালক আৰু স্থানীয় লোকে প্ৰথমে বনাঞ্চলিক বিষয়া নেত্ৰ কমল শইকীয়াৰ সৈতে তৰ্কাতৰ্কিত লিপ্ত হয়। তাৰ পিছত বনমন্ত্ৰী মুৰ্দাবাদ, হোজাই ডি এফ অ' মুৰ্দাবাদ, ৰেঞ্জাৰ মুৰ্দাবাদ, বালি মাফিয়া মুৰ্দাবাদ ধ্বনিৰে বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। একপ্ৰকাৰ বন মাফিয়াৰ সন্ত্ৰাসত নিদ্ৰা হৰিছে ডবকাৰ সাধাৰণ লোকৰ। জাগুৰ খাই উঠিছে দল-সংগঠন আৰু ডবকাৰ সাধাৰণ লোক। একাংশ বন মাফিয়াই চলাইছে অবৈধভাৱে ডবকা পাহাৰ খননকাৰ্য, বনাঞ্চলৰ পৰা কাটিছে এফালৰ পৰা মূল্যৱান শাল আৰু চেগুনৰ গছ। আনপিনে যমুনা নৈৰ পৰা অবৈধ খননকাৰ্য চলাই কৰিছে বালিৰ ৰমৰমীয়া ব্যৱসায়। একপ্ৰকাৰ ডবকাত সন্ত্ৰাস সৃষ্টি কৰিছে বনজ সম্পদ ধ্বংস কৰা বন মাফিয়াসকলে। নিয়ন্ত্ৰণ কৰিব পৰা নাই বন বিভাগে। কেতিয়াবা অবৈধভাৱে বালি কঢ়িওৱাক লৈ অবৈধ বালি সৰবৰাহকাৰীৰ দুই পক্ষৰ মাৰপিট। হাতত লোহাৰ লাঠী লৈ ৰাজপথত আক্ৰমণ কৰিছে প্ৰতিপক্ষক, সতীৰ্থ আন অবৈধ বালি সৰবৰাহকাৰীক জধে-মধে আক্ৰমণ কৰি সন্ত্ৰাস সৃষ্টি কৰিছে ৰাজপথত। বৈধ-অবৈধ শ শ ডাম্পাৰ, টাটা মোবাইল আৰু ট্ৰাকৰ সন্ত্ৰাসত যাতায়াত কৰিব পৰা নাই পথচাৰী। ৰাস্তাৰে শান্তিৰে যাব পৰা নাই স্কুলীয়া ছাত্ৰ-ছাত্ৰী, জৰুৰীকালীন ৰোগী কঢ়িওৱা এম্বুলেন্স। অবৈধ বালি-পাথৰৰ গাড়ীয়ে সঘনাই সংঘটিত কৰি আহিছে ভয়ংকৰ দুৰ্ঘটনা, প্ৰাণ লৈছে বহুজনৰ, পংগু কৰিছে শ শ লোকক। ইয়াৰে ৯০ শতাংশ টাটা মোবাইল, ট্ৰাক আৰু ডাম্পাৰৰ নাই ইন্সুৰেন্স, নাই উপযুক্ত নথি। ইয়াৰ মাজৰে একাংশ গাড়ীৰ নাই নম্বৰ প্লেট, আন একাংশই ভুৱা নম্বৰ প্লেট ব্যৱহাৰ কৰি চলাই গৈছে বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায়। এইবোৰ দেখিও নেদেখাৰ ভাও জুৰিছে বন বিভাগ, পৰিবহণ বিভাগ, আৰক্ষী আৰু জিলা প্ৰশাসনে। যাৰ বাবে সঘনাই অবৈধ ব্যৱসায়ীৰ মাজত সংঘাত সৃষ্টি হৈছে। এইদৰে উত্তপ্ত কৰি ৰাখিছে ডবকা। অভিযোগ-প্ৰতিঅভিযোগে এটা সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এতিয়া প্ৰশ্ন হয়— বনমন্ত্ৰীৰ চকু পৰিবনে ডবকাত। নিয়ন্ত্ৰণ কৰিব পাৰিবনে বন মাফিয়াসকলক। সাধাৰণ জনতা আৰু প্ৰাকৃতিক সম্পদ সুৰক্ষা দিব পাৰিবনে! সেয়া কোটি টকীয়া প্ৰশ্ন হৈ পৰিছে। শনিবাৰে ডবকা বন বিষয়াৰ কাৰ্যালয় ঘেৰাও কৰি ৰাইজে প্ৰতিবাদ আৰম্ভ কৰাত পৰিস্থিতি ইমানেই অশান্ত হৈ পৰে যে আৰক্ষী আৰু সেনা জোৱান মোতায়েন কৰিবলগীয়া হয়। বন বিষয়া আৰু টাটা মোবাইলৰ মালিকসকলৰ মাজত সংঘাত ক্ৰমশঃ তুংগত উঠিছে। অবৈধ বালি ব্যৱসায় বন্ধ কৰাৰ দাবীত এই প্ৰতিবাদ কৰে ৰাইজে। দীৰ্ঘদিন ধৰি ডবকাত অবৈধ বালিৰ বেহা চলাৰ অভিযোগ তোলে ৰাইজে। ট্ৰাক, ডাম্পাৰ, টাটা মোবাইলেৰে চলাইছে ৰমৰমীয়া ব্যৱসায়। বালি মহলদাৰসকলেও ভয়ংকৰ দুৰ্নীতি কৰাৰ অভিযোগ উঠিছে। এখন চালানেৰে দুই-তিনি টিপ দি বৃহৎ ৰাজহ ফাঁকি দিয়াৰ অভিযোগ উঠিছে। যাৰ বাবে চৰকাৰে কোটি কোটি টকা হেৰুৱাইছে ৰাজহ। ঘটনা অধিক উত্তপ্ত হোৱাত ডবকা ৰাজহ চক্ৰ বিষয়া অনুসূয়া শৰ্মা ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়। আনহাতে, একাংশ অবৈধ ব্যৱসায়ীৰ ধমকিত বাণীকান্ত শইকীয়া নামৰ বনকৰ্মী প্ৰেচাৰ ষ্ট্ৰোক হৈ অসুস্থ হৈ শুকুৰবাৰৰ পৰা চিকিৎসাধীন হৈ আছে। এতিয়া চৰকাৰে এইসকল লোকক কি দৰে নাকী লগায়, সেয়া লক্ষণীয় হ'ব।

Guwahati, Sunday, October 13, 2019
দৈনিক জনমভূমি

## যমুনা নৈৰ বালিক লৈ বৃহৎ ছিণ্ডিকেট

### কলকাতা, ৰাজস্থান, বাংলাদেশ আদিলৈ সৰবৰাহ হয় বালি ■ দৈনিক ১৫০-২০০খন গাড়ীৰ ভিতৰত ১০-১২খনতহে থাকে চালান ■ নিৰ্দিষ্ট ৬ চি এম পৰিমাণৰ চালানত থাকে ১০ চি এম বালি

# চৰকাৰে বছৰি হেৰুৱাইছে কোটি কোটি টকাৰ ৰাজহ

### দুৰ্নীতিগ্ৰস্ত বিষয়াৰ বিৰুদ্ধে বনমন্ত্ৰীয়ে তদন্তৰ ব্যৱস্থা ল'বনে ?

**হোজাই ঃ** নিজা বাতৰি দিওঁতা, ১২ অক্টোবৰ ঃ নগাঁও-হোজাই আৰু কাৰ্বি আংলঙৰ সীমা পাৰ হৈ সমগ্ৰ ৰাজ্যতে এক সুকীয়া স্থান দখল কৰা যমুনা নৈৰ বালিক লৈ অব্যাহত আছে বৃহৎ ছিণ্ডিকেট। অতি উন্নত মান বিশিষ্ট যমুনা নৈৰ বালি ইতিমধ্যে কলকাতা, ৰাজস্থান আৰু বাংলাদেশলৈকে সৰবৰাহ কৰা হয়। সেয়ে প্ৰতি বছৰে অসম চৰকাৰে ডবকা বনাঞ্চলৰ অধীনৰ বালি ঘাটসমূহ নিবিদাৰ জৰিয়তে আবণ্টন দি সংগ্ৰহ কৰে কোটি কোটি টকাৰ ৰাজহ। দেৱস্থান, চিতলমাৰী



# চৰকাৰে বছৰি হেৰুৱাইছে কোটি কোটি...

হাওৰাঘাট, উদমাৰী, ডবকা আদিত বিভিন্ন নামেৰে মহলসমূহ স্থাপন কৰা হৈছে। ডবকা বনাঞ্চলিক বিষয়া নেত্ৰ শইকীয়াৰ অধীনত আছে মুঠ ৬টাকৈ বৈধ বালিৰ মহল। ইয়াৰ ভিতৰত চাৰিটা মহল বৰ্তমান বৈধভাৱে চলাই থকা হৈছে। দুটা মহল আদালতে বন্ধ ৰাখিছে। বৰ্তমান কাৰ্যক্ষম হৈ থকা মহলকেইটা ক্ৰমে দেৱস্থান-১, দেৱস্থান-৩, ডবকা-১ আৰু ডবকা-২। এই চাৰিটা মহলৰ পৰাহে বৈধভাৱে বালি সংগ্ৰহৰ অনুমতি আছে। জাকিৰ নামৰ বালি ব্যৱসায়ীজনে দেৱস্থান-১, ফৰিজ নামৰ ব্যৱসায়ীজনে ক্ৰমে দেৱস্থান-২ আৰু ডবকা-১ মহলৰ নিবিদা লাভ কৰাৰ বিপৰীতে ইমৰানুল নামৰ লোকজনে ডবকা ২ মহলটোৰ নিবিদা লাভ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি দেৱস্থান-২ বছৰেকত ২২ লাখ টকা, দেৱস্থান-১ত ১৬ লাখ টকা, ডবকা-১ত ৩৪ লাখ টকা আৰু ডবকা-২ৰ বাবত প্ৰায় ৩৮ লাখ টকা কৰ আৰু অন্যান্য শিতানত তিনিমহীয়া কিস্তিত চৰকাৰক জমা দিব লাগে। তাৰ বিনিময়ত এই মহলকেইটাত নিৰ্দিষ্ট পৰিমাণৰ চালান জাৰি কৰা হয়। সেই হিচাপে প্ৰতিটো মহলদাৰে চালানৰ জৰিয়তে বালি বিক্ৰী কৰিব লাগে। প্ৰতিটো মহলৰ নিৰ্দিষ্ট সীমাৰ ভিতৰতে আছে বালি সংগ্ৰহ কৰা বালিঘাট। এনে ঘাটসমূহৰ পৰা প্ৰতিদিনে প্ৰায় ১২০খন ট্ৰাক আৰু ১৫০ৰ পৰা ২০০ৰো অধিক টাটা ম'বাইলে বালি সংগ্ৰহ কৰি ৰাজ্যৰ বিভিন্ন স্থানলৈ সৰবৰাহ কৰে। প্ৰতিখন বালি কঢ়িওৱা বাহনতে একোখনকৈ চালান জাৰি কৰাটো বাধ্যতামূলক। কিন্তু এনেকৈ চালান জাৰি কৰিলে মাত্ৰ এমাহতে মহলদাৰৰ সকলো বৈধ চালান শেষ হৈ যায়। পাছত পুনৰায় অতিৰিক্ত চালান আনিবলৈ হ'লে চৰকাৰক সম পৰিমাণৰ কৰ জমা দিব লাগে। বালিৰ চাহিদা বৃদ্ধি হোৱাৰ লগে লগে বৈধ চালানৰ সম পৰিমাণ বালি নিমিষতে শেষ হৈ যায়। যিহেতুকে নতুনকৈ চালান সংগ্ৰহ কৰিলে চাৰিওটা মহলৰ মহলদাৰে এক কোটিৰো অধিক টকাৰ ৰাজহ আদায় দিব লাগে; গতিকে মহলদাৰসকলে চৰকাৰক ৰাজহ ফাকি দিবলৈ প্ৰতিখন গাড়ীতে চালান জাৰি নকৰি বিনা চালানতে গাড়ীসমূহ পঠিয়াই দিয়ে। কেতিয়াবা জিলাৰ বাহিৰত গাড়ী পঠিয়াব লগা হ'লে চালান লগতে দি পঠিয়ায় যদিও ১০ চি এম (ঘন মিটাৰ) বালিৰ বিপৰীতে মাত্ৰ ৬ চি এম পৰিমাণৰ চালান জাৰি কৰে। এনেদৰে দৈনিক ১৫০ৰ পৰা ২০০ গাড়ী বালি মহলদাৰে নিজে বিক্ৰী কৰে যদিও চালান জাৰি কৰে মাত্ৰ ১০ৰ পৰা ১২খনহে। এনেদৰে চালানবিহীনভাৱে বালি বিক্ৰী কৰাত চৰকাৰে প্ৰতিটো বিত্তীয় বৰ্ষত কেইবা কোটিৰো অধিক পৰিমাণৰ ৰাজহ হেৰুৱাই আহিছে। **■ বালিক লৈ কেনেদৰে হয় ছিণ্ডিকেট ?** ঃ মহলদাৰ চাৰিজনে নিবিদা লাভ কৰাৰ পাছতে তেওঁলোকক প্ৰয়োজন হয় যথেষ্ট পৰিমাণৰ ধনবল আৰু বাহুবল। স্থানীয় সমস্যা আৰু বাধাসমূহ দূৰ কৰিবলৈ মহলদাৰসকলে কিছুমান অসামাজিক কাৰ্যত জড়িত থকা লোক কেইজনমানক একগোট কৰি এটা ছিণ্ডিকেটৰ সৃষ্টি কৰে। তেওঁলোকেই বালিৰ মূল্যৰ নিৰ্ধাৰণৰ পৰা আৰম্ভ কৰি বজাৰত বিক্ৰী কৰালৈকে সকলো সিদ্ধান্ত গ্ৰহণ কৰে। এইসকলে বন বিভাগৰ উচ্চ পদস্থ বিষয়াৰ পৰা সাধাৰণ কৰ্মচাৰীলৈকে সকলোকে মেনেজ কৰি ছিণ্ডিকেট চলাই ৰাখে। জানিব পৰা মতে কেতিয়াবা বন বিভাগৰ লোকে আকস্মিক তালাচী চলাবলৈ আহিলেও ছিণ্ডিকেটৰ কৰ্মকৰ্তাসকলক অৱগত কৰিহে তালাচীত আহে। তেতিয়া মহলদাৰে সকলো গাড়ীতে চালান জাৰি কৰাটো নিশ্চিত কৰে। এনেদৰে বন বিভাগ আৰু মহলদাৰৰ সমিল মিলেৰে অবৈধ বালিৰ এক বৃহৎ ছিণ্ডিকেট চলি আছে ডবকাত। মহলদাৰ আৰু বন বিভাগে মিলি বালিৰ অবৈধ ছিণ্ডিকেট চলাই থকাৰ মাজতে প্ৰায় ১৫০ৰ পাৰ ২০০খন টাটা ম'বাইল ট্ৰাকে বিভিন্ন স্থানতে বালিঘাট সৃষ্টি কৰি বালি সংগ্ৰহ কৰা আৰম্ভ কৰে। প্ৰতিখন টাটা ম'বাইল ট্ৰাকে ১.৮ চি এমৰ পৰা ২ চি এমলৈকে বালি বিনা চালানতে সৰবৰাহ কৰে। মহলদাৰে ছচকীয়া ট্ৰাক বা টিপাৰেৰে বালি সৰবৰাহ কৰাৰ বাবে তেওঁলোক সকলো পথেৰে যাবও নোৱাৰে। আনহাতে সৰু সুৰা গ্ৰাহকসকলে কম পৰিমাণৰ বালি ক্ৰয় কৰিব বিচৰাৰ কাৰণে টাটা ম'বাইলৰ চাহিদা যথেষ্ট বৃদ্ধি পায়। এক তথ্য মতে হোজাই জিলাৰ ভিতৰত ডবকাতে সৰ্বাধিক টাটা ম'বাইল ট্ৰাক আছে। এই ট্ৰাকৰ সংখ্যা দুশৰো অধিক হ'ব। এইবোৰ টাটা ম'বাইলে প্ৰতিদিনে অবৈধ ঘাটৰ পৰা বালি সংগ্ৰহ কৰি বিনা চালানত বিক্ৰী কৰে। এইসকলে বন বিভাগৰ লোকক কোনো ধৰণৰ মাহেকীয়া ৰৰঙনি নিদিয়ে। ফলত মাজে মাজে অসন্তুষ্ট বন বিভাগে টাটা ম'বাইলসমূহ জব্দ কৰি বৃহৎ পৰিমাণৰ জৰিমনা আদায় কৰে। ইমানৰ পাছতো টাটা ম'বাইলসমূহে দৈনিক বহু চি এম বালি বজাৰত বিক্ৰী কৰাৰ ফলত ছচকীয়া ট্ৰাক আৰু টিপাৰেৰে বিক্ৰী কৰা মহলদাৰৰ বালিৰ চাহিদা কমি আহে। সেয়ে মহলদাৰসকলে নিজা প্ৰচেষ্টাত বন বিভাগক লগত লৈ টাটা ম'বাইলৰ বিৰুদ্ধে অভিযান চলাই কেতিয়াবা দহ পোন্ধৰখন পৰ্যন্ত টাটা ম'বাইল জব্দ কৰে। এনে সময়তে দুই পক্ষৰ মাজত সংঘৰ্ষৰো সূত্ৰপাত হয়। অৱশ্যে মহলদাৰৰ কৰ ফাকিয়েই হওক বা টাটা ম'বাইলৰ প্ৰত্যক্ষ চুৰিয়েই হওক দুয়োটা ক্ষেত্ৰতে কিন্তু চৰকাৰে ৰাজহ হেৰুওৱাটো জলজল পটপটকৈ ওলাই পৰিছে। এই অবৈধ কামত দক্ষিণ নগাঁও বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া, ডবকা বনাঞ্চলিক বিষয়াসকল জড়িত থকাটো নিশ্চিত। এনেদৰে সৰু-বৰ বালি মাফিয়া বা ছিণ্ডিকেটৰ কাণ্ডাৰীসকলক অতি শীঘ্ৰে নাকী লগাই দুৰ্নীতিগ্ৰস্ত বন বিষয়াসকলক তদন্তৰ আওতাত নানিলে চৰকাৰে প্ৰতিদিনেই হেৰুৱাই থাকিব বৃহৎ পৰিমাণৰ ৰাজহ। এইক্ষেত্ৰত বন মন্ত্ৰীয়ে কিবা ব্যৱস্থা ল'বনে ? নে এনেদৰেই চলি থাকিব ডবকাত বালিৰ অবৈধ খনন।